# পুৰণি অসমীয়া লিপিৰ উৎসসমূহ

**ড° নাৰায়ণ দাস**

আজিৰ লুইতপৰীয়া অসম পুৰণি প্ৰাগজ্যোতিষ বা কামৰূপ ৰূপে খ্যাত। ইয়াৰ লেখন কলাৰ গৌৰৱময় ইতিহাসে সুদীৰ্ঘ সোতৰটা শতিকাৰ একা-বেঁকা পথ অতিক্ৰম কৰাটো উল্লেখযোগ্য। উল্লিখিত ভূখণ্ডৰ ভিন্ন অঞ্চলত উদ্ধাৰ হোৱা অভিলেখ, স্বৰ্ণ-ৰৌপ্য আৰু আন ধাতৱ মুদ্ৰাৰ উপৰি সাঁচিপাত, তুলাপাত, তালপাত, দাৰুফলক, ধাতু আৰু মাটিৰ পাত্ৰ, ইটা প্ৰভৃতিত উৎকীৰ্ণ লিপিৰ সহায়ত পুৰণি অসমীয়া লেখন কলাৰ উদ্ভৱ আৰু বিকাশৰ ৰূপৰেখা অংকন কৰাত সুবিধা হৈছে। অভিলেখসমূহ পাহাৰৰ ডাঙৰ শিলৰ উপৰি শিল আৰু ধাতুৰ মূৰ্তি, তাম আৰু শিলৰ ফলি প্ৰভৃতিত খোদিত কৰা দেখা যায়। মধ্যযুগীয় অসমীয়া আখৰৰ নিদৰ্শনসমূহ লোৰ কামান, বৰটোপ, ৰূপৰ জাপি, শৰাই, কাঁহী, প্ৰভৃতিত পোৱাটো উল্লেখযোগ্য। প্ৰাগজ্যোতিষাধিপতি কুমাৰ ভাস্কৰবৰ্মাই হৰ্ষশিলাদিত্যলৈ 'অগৰুৰ বাকলিত লিখা (সাঁচিপাতত) সুভাষিত বচনৰ সংগ্ৰহ পুথি' উপঢৌকন ৰূপে পঠোৱাৰ উল্লেখ আছে বাণৰ *হৰ্ষচৰিত*-ৰ সপ্তম অধ্যায়ত। তলৰ ছেদকেইটাত কালানুক্ৰমিকভাৱে পুৰণি অসমীয়া লিপিৰ নিদৰ্শনসমূহ উল্লেখ কৰা হ'ল—

(১) বৰ্তমানলৈকে উদ্ধাৰ হোৱা পুৰণি অসমৰ লিপিৰ ভিতৰত নগাজৰী খনিকৰ গাঁও প্ৰস্তৰ লিপিখন প্ৰাচীনতম। এই লিপিৰ এটা খণ্ড ইংৰাজী ১৯৭২ চনত গোলাঘাটৰ সৰুপথাৰ অঞ্চলৰ খনিকৰ গাঁও নিবাসী লুডুৰাম শইকীয়াৰ ঘৰত ড° মোহিনী কুমাৰ শইকীয়াই উদ্ধাৰ কৰিছিল। লিপিখনিৰ বৈশিষ্ট্য বৰ্ণাবলৈ গৈ ড° মুকুন্দমাধৱ শৰ্মাই লিখিছিল— 'ব আৰু ৱ আখৰৰ পাৰ্থক্য ৰখালৈ চাই ....... ইয়াক সংস্কৃত ভাষাত লিখিত এতিয়ালৈ আৱিষ্কৃত অসমৰ প্ৰাচীনতম লিপি বুলি ভাবিবৰ অৱকাশ আছে।' এই লিপিখণ্ডৰ প্ৰায়বোৰ আখৰেই সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলেখৰ আখৰেৰে মিলি যোৱাটো মন কৰিবলগীয়া। কিছু বছৰৰ পূৰ্বে এই অঞ্চলৰে পুতুদ আলীৰ ঘৰৰ পৰা লিপিখোদিত শৈলখণ্ড ড° নিশিপদ চৌধুৰী আৰু ড° হেমেন্দ্ৰনাথ দত্তই সংগ্ৰহ কৰি অসম প্ৰত্নতত্ত্ব বিভাগৰ কাৰ্যালয়লৈ লৈ আহে। পুৰালিপি বিশাৰদ ড° ধৰ্মেশ্বৰ চুতীয়াই প্ৰস্তৰখণ্ডৰ পাঠ উদ্ধাৰ কৰি *The Journal of the Assam Research Society* ৰ ৩৩ নম্বৰ গ্ৰন্থৰ প্ৰথম সংখ্যাত (১৯৯৩) প্ৰকাশ কৰাৰ পিছত ভালেখিনি নতুন তথ্য পোহৰলৈ

Scanned with CamScanner

| | |
|---|---|
| ঘ. মহত্তৰো ব্ৰহ্মদত্তঃ বাজিশ্চেহাভি | ... তুঃ ক্ষেত্ৰঞ্চ দত্তং বিপুলম্ সৰ্ব্বসস্য ফল প্ৰদম্ |
| ঙ. পূৰ্ব্বেণ | |
| চ. দিক্ৰ মুক্খড় সীমা পশ্চিমতো.... | .... নম্ উ(ত্ত) ৰে (ঋ) পনম ত্ৰিশ্বং বৃহদ (া ভ্ৰক) দক্ষিণে (ন) |
| ছ. ন্যগ্ৰোধপাদপশ্চায়ম্ কীৰ্ত্ত্যৰ্তং..... | ..... |
| জ. উত্তঞ্চ যাবৎকীৰ্ত্তিৰ্ম্মনুষ্য........ | |

( The Journal of the Assam Research Society, Vol- XXXIII, No-1, pp-36-37)

এই লিপিখনে বহু সংবাদৰ লগতে আন দুটি সংবাদো সদৰি কৰে— (ক) খ্ৰীষ্টীয়

তামৰ ফাল, (ঙ) বৰমূৰ্তিয়া বিল তাম্ৰপত্ৰ (চ) মহামাণিক্য প্ৰদত্ত লংকা শৈললেখ আৰু (ছ) শদিয়া চেপাখোৱা তাম্ৰলিপিত। একাধিক ফলিৰ পৰা গছতল আৰু লংকা শৈললেখৰ গুৰুত্ব কম্‌খিনি। সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলেখত উল্লিখিত ডবাক নিকটৱৰ্তী গছতলৰ ভগ্ন শিৱমন্দিৰৰ ধ্বংসাৱশেষৰ পৰা অনা অষ্টকোণী শৈলস্তম্ভত উৎকীৰ্ণ কৰা লিপিখনৰ তিনিটামান শাৰীৰ পাঠোদ্ধাৰ কৰে কাশীনাথ দীক্ষিতে। তেওঁৰ মতে ফলিখনৰ পাঠ সংস্কৃত আৰু তাত বিশ্বসুন্দৰদেৱৰ কথা লিপিবদ্ধ হৈছে। পিছত প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথে সমস্ত ফলিখনিৰ পাঠোদ্ধাৰ কৰি প্ৰকাশ কৰিছিল। উল্লেখযোগ্য যে অৱশেষত ড° প্ৰতাপচন্দ্ৰ চৌধুৰীয়েও ফলিখনিৰ এটি পাঠ আগবঢ়ায়। ড° চৌধুৰীৰ পাঠ পিছে অসমীয়া। তলত তাৰে পাঠ-'সীমা এৰিয়া যৱন ডবাকত গয়ত (শক) ১২৮ (৪) কেলাষ্টি ৰাশি গমণ শ্ৰীবিষ্ণু বাসধৰ শৈলকাৰ শকত ম্লেচ্ছ ইপান উয়াসা.... ইত্যাদি। ড° নেওগৰ ভাষাত 'পাঠৰ ভাষা স্পষ্ট অসমীয়া নহয়।' ড° চৌধুৰীয়ে তাৰ অসমীয়া ভাঙনি দিছে এনেদৰে— 'সীমা এৰি যৱনবিলাকে (মুছলমান সৈন্য) ১২৮৪ শকত (১৩৬২ চন) ডবকালৈ যাত্ৰা কৰিলে। লিপিকাৰ শ্ৰীবিষ্ণু বাসধৰ নামৰ এজন। ম্লেচ্ছসকলৰ এটা শক্তিশালী বাহিনীয়ে এই ঠাই ত্যাগ কৰে (গছতল) আৰু পূব দিশলৈ গতি কৰে চোৱা। ৩০০০ শত্ৰু সৈন্য নানা উপায়ে ফান্দত পৰিল। তোমালোকে জানি থোৱা ব'হাগ মাহৰ বৰষুণৰ বাবে কপিলী নদীত বানপানী হৈছিল। পাঁচোটা যুদ্ধ বাদ্য বাজি থাকক আৰু নৌ বাহিনীয়ে পছিমৰ জলভাগ পাৰ কৰি শত্ৰুক খেঁদি আহক।'

প্ৰাচীন 'ডবাক'ত বৰাহী ৰজাসকলে ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। মহামাণিক্য সুপ্ৰসিদ্ধ বৰাহী ৰজা। তেওঁৰ ৰাজ্যতে থাকি মাধৱ কন্দলিয়ে 'লম্ভা পৰিহৰি সাৰোদ্ধৃতে' সপ্তকাণ্ড ৰামায়ণ অসমীয়ালৈ ভাবান্তৰ কৰিছিল। এইজনা নৃপতিয়ে দীন ব্ৰাহ্মণলৈ হানি সমন্বিতে বামদেৱ গাঁও দান কৰাৰ লিপিয়ে হ'ল 'লংকা শৈললেখ'। শৈললেখ খনিত বাৰটা শাৰী আছে। তাৰ ভাষা সংস্কৃত। লিপিখনিৰ তলত অংকিত হৈছে মাইকী গাহৰি এজনীৰ ওপৰত দণ্ডায়মান গাধৰ বৈখিক চিত্ৰ। গাধ বিষ্ণুৰ অৱতাৰ (কুকুৰ চাণ্ডাল গৰ্দভৰো আত্মাৰাম)। মাইকী গাহৰিজনী হ'ল সেই গাধৰূপী বিষ্ণুৰ মাতৃ। ফলিখনত ৰজাই সত্ৰ আশ্ৰম সাজি বিষ্ণু প্ৰতিষ্ঠা কৰাৰ কথা আছে। লিপিৰ অধিকাংশ আখৰেই পুৰণি অসমীয়া

Scanned with CamScanner

হ'লেও ৯-১০ শতাব্দীত ব্যৱহাৰ হোৱা দুই এটা আখৰো ব্যৱহাৰ মন কৰিবলগীয়া। ফলিখন লিখা হয়— ১২৭৪ শক বা ১৩৫২ খ্ৰীষ্টাব্দত।

(১৩) পঞ্চদশ - ষোড়শ শতাব্দীৰ উল্লেখযোগ্য দুখনমান শিল - তামৰ ফলি হ'ল— (ক) কামৰূপেশ্বৰ মাধৱৰ নীলাচল তাম্ৰশাসন, (খ) নীলাচল কামাখ্যা মন্দিৰৰ শিলৰ ফলি আৰু (গ) হয়গ্ৰীৱ মাধৱৰ মন্দিৰৰ শিলৰ ফলি।

(১৪) খ্ৰীষ্টীয় সপ্তদশ শতাব্দীৰ কেবাখনো শিল আৰু তামৰ ফলিৰ ভিতৰত চামধৰা গড়ৰ কাজয়ৰ আৰু ভণ্ডাৰী গোঁসাইৰ গড় নিৰ্মাণৰ শিলৰ ফলিকেইখনৰ গুৰুত্ব ভালেখিনি। চামধৰা গড়ৰ নিৰ্মাণ সন্দৰ্ভত তামুলী ফুকনৰ বুৰঞ্জীত আছে 'লুইতৰ পৰা পৰ্বতলৈকে দখিন পাৰে চামধৰা গৰ বন্ধালে।' চামধৰা কাজয়ৰ শিলৰ ফলি দুখন খোদিত আছে শৈলস্তম্ভ এটাত। স্তম্ভটোৰ বহল ফালটোত থকা ১৩ শাৰীৰ প্ৰথম লিপিখন হ'ল— '`৭ স্বস্তি সমুতুঙ্গ /সকল-কলা-কলিত-কলে-বৰ-নানা গুণ গ্ৰাম-বিশ্ৰাম ধাম-প্ৰচণ্ড /প্ৰতাপানল- তাপিত - ভূ/প-চূড়ামণি-শেখৰ শ্ৰীশ্ৰী/স্বৰ্গনাৰায়ণদেৱ-বিসম-সমৰ বিজয়িনঃ/

শ্ৰী ভণ্ডাৰি গোসাই /লাঙ্গিৰ্পো গোসাই ।।বড়ফু/কন নায়সলিয়াৰ্বাই।

চামধ/ৰা সিমা কৰি হাৰুনি দাৰুনি/লৈ গড় ।। শক ১৫৩৮ স্তম্ভটোৰ চেপন এটা ফালত লিখা দ্বিতীয়খনি ফলি ৬ শাৰীৰ ঃ

শ্ৰী শ্ৰী স্বৰ্গ নাৰা/য়ণ. জয় জয় ।।/শ্ৰী ফুলুঙ গোসাই।।/ শ্ৰী কুলুতা গো/সাই// শ্ৰী জদু ব/ৰুৱা জয় হ'ল।।/

ভণ্ডাৰী চেটিয়া ওৰফে ভণ্ডাৰী গোঁসায়ে গড় বন্ধাৰ দুখন ফলি উদ্ধাৰ হৈছে যথাক্ৰমে ভোমোৰাগুৰি আৰু বিশ্বনাথত। প্ৰথম ফলিখন পোনতে ভোমোৰাগুৰিৰ এটা প্ৰকাণ্ড গ্ৰেনাইট শিলত খোদিত আছিল। এতিয়া সেইখনি তাৰপৰা উঠাই কলীয়া ভোমোৰা দলঙৰ কাষত সুৰক্ষা দিয়া হৈছে। এই ফলিৰ পাঠ উদ্ধাৰ কৰ্মত চাৰিজন লোকৰ শ্ৰম সাঙোৰ খাই আছে— ড° নাৰায়ণ দাস, ড° সতীশচন্দ্ৰ ভট্টাচাৰ্য, ড° আনন্দমোহন মুখোপাধ্যায় আৰু শ্ৰীপূৰ্ণেশ্বৰ নাথ। মুঠতে ছটা শাৰীত সম্পূৰ্ণ হোৱা ফলিখনৰ প্ৰথম চাৰিটা শাৰী শিলটোৰ কাষৰৰ পৰা মাজলৈ ব্যাপ্ত। আন দুশাৰী প্ৰথম চাৰি শাৰীৰ পথালিকৈ খোদিত কৰা। ফলিৰ পাঠ [`৭] স্বস্তি শ্ৰী শ্ৰী সকল ম /ঙ্গলালয় স্বৰ্গ নাৰায়/ন দেৱ। আগে জবনক নিপা /ত কৰি পাচে পৰ্ব্বত কাটি গড় / শ্ৰী ভণ্ডাৰি গোসাই কৰি / লেন্ত।। সক ১৫৩৮

এই লিপিখনৰ এটি বৈশিষ্ট্য হ'ল— চাৰিখনি বৈখিক চিত্ৰৰ সংযোজন কৰাটো। প্ৰথমখনত বাঘ আৰু হাতীৰ যুদ্ধ, দ্বিতীয়খনত বাঘটো আগবাঢ়ি যোৱা, তৃতীয়খনত বাঘটোৱে হৰিণ এটাৰ পিছৰ ফালে কামুৰি ধৰা আৰু চতুৰ্থখন বাৰডাল সৰুৰেখাই বিভাজন কৰা এখন আয়তক্ষেত্ৰাকাৰ নক্সা।

Scanned with CamScanner

২) 'A Clay Seal from the Doyang - Dhansiri Vally' শীৰ্ষক নিবন্ধত। চাৰি শাৰীত সম্পূৰ্ণ হোৱা মোহৰ লেখৰ পাঠ এনে ধৰণৰ ঃ

ক. অক্ষয় খ. [বৃ] স্তি- খণ্ড- আষ্টমং গ. [শ্ৰী] বসুন্ধৰ ঘ. বৰ্মণা

বসুন্ধৰ বৰ্মণৰ শৈললিপি আৰু মৃন্ময় মোহৰ লেখে দৈয়ং-ধনশিৰী উপত্যকাত এখনি ৰাজ্য থকাৰ কথা স্পষ্ট কৰাৰ লগতে পুৰণি অসমীয়া লিপিৰ উদ্ভৱৰ ক্ষেত্ৰতো নতুন পোহৰ পেলায়। কিয়নো উপৰ্যুক্ত দুয়োখনি লিপিৰে সময়ৰেখাঃ খ্ৰীষ্টীয় চতুৰ্থ শতাব্দী।

(৩) পুৰণি অসমীয়া লিপিৰ উদ্ভৱৰ ৰূপৰেখা আঁকোতে উল্লেখযোগ্য ভূমিকা লোৱা শিলৰ ফলিখন হ'ল— সুৰেন্দ্ৰবৰ্মাৰ উমাচল শৈললিপি। খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ লিপি ৰূপে সাব্যস্ত কৰা ফলিখনিৰ প্ৰথম পাঠ প্ৰকাশ কৰে— সুখ্যাত লিপি বিশাৰদ ড° দীনেশচন্দ্ৰ সৰকাৰ আৰু প্ৰেমধৰ চৌধুৰীয়ে *এপিগ্ৰাফিয়া ইণ্ডিকা*-ৰ জৰিয়তে (গ্ৰন্থ-৩১, খণ্ড-২, ১৯৫৫)। মাত্ৰ চাৰিটা শাৰীত সম্পূৰ্ণ হোৱা ফলিখনৰ পাঠ হ'ল—

ক. মহাৰাজাধিৰাজ শ্ৰী খ. সুৰেন্দ্ৰ বৰ্ম্মণা কৃতম্

গ. ভগৱতঃ বলভদ্ৰ ঘ. স্বামিনায় ইদং গুহং।

ভগৱান বলভদ্ৰৰ পূজা-সেৱাৰ অৰ্থে নিৰ্মিত গুহামন্দিৰৰ শৈল ফলকখনিত একক অক্ষৰ সোতৰটা, যুক্তাক্ষৰ পাঁচটা আৰু হলন্ত হ'ল- এটা। ইয়াৰে অধিকাংশ আখৰে গঢ়- গুপ্ত লিপিৰে অভিন্ন।

(৪) খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ লিপি ৰূপে সাব্যস্ত কৰা উল্লেখযোগ্য শিলালিপিখন হ'ল— ভূতিবৰ্মাৰ দিনৰ বৰগংগা শৈললেখখনি। প্ৰত্নতাত্বিক ৰাজমোহন নাথে পোহৰলৈ আনে। এই শৈললেখখনিৰ সবিশেষ সৰ্বভাৰতীয় প্ৰেক্ষাপটত দাঙি ধৰে- ড° এন. কে. ভট্টশালীদেৱে। শৈললেখখনি ভৌমবংশী ভূতিবৰ্মাৰ মন্ত্ৰীৰ আদেশ ক্ৰমে লিখোৱা হৈছিল। ভট্টশালী ডাঙৰীয়াই আলোচিত শৈললেখখনি ২৩৪ গুপ্তাব্দত লিখা বুলি সাব্যস্ত কৰিছিল যদিও ড° দীনেশচন্দ্ৰ সৰকাৰে লিপিখনিৰ এটি নতুন পাঠ ৰাইজলৈ আগবঢ়ায়। চাৰি শাৰীত সম্পূৰ্ণ হোৱা সেই পাঠ হ'ল— 'ক. স্বস্তি শ্ৰীপৰমদৈৱত পৰম ভট্টাৰক মহাৰা (জা) খ. ধিৰাজাশ্ব মেধয়াজিন (ঃ) শ্ৰী ভূতিবৰ্ম্মস্য পাদন (ং) গ. আয়ুষ্কামং বিজয়ামাত্য অৱগুপস্য ঘ. ইদং আশ্ৰমং।' লিপিৰ অক্ষৰ উমাচল লিপিৰে অভিন্ন। অৱশ্যে 'য়' আখৰৰ গঢ় বেলেগ।

(৫) খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ পুৰণি অসমীয়া আখৰৰ নিদৰ্শন ৰূপে দেখুৱাব পাৰি কুমাৰ ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰ তাম্ৰ শাসনৰ উপৰি উল্লিখিত নৃপতিজনাৰ নালন্দাত প্ৰাপ্ত মৃন্ময় মোহৰ লেখ। একেজনা নৃপতিয়ে প্ৰদান কৰা হ'লেও ডুবি আৰু নিধনপুৰ শাসন দুখনিৰ আখৰৰ কিছু পাৰ্থক্য ধৰা পৰে। যেনে— ক. নিধনপুৰ শাসনত 'ন' কিছু পৰিমাণে আধুনিক ধৰণৰ, কিন্তু ডুবি শাসনৰ 'ন' পুৰণি ধৰণৰ, খ.

Scanned with CamScanner